**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-08-2024 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নিউজিলেণ্ডৰ ৱেলিংটন ৰে’ল ষ্টেচন চৌহদত থকা মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিত পুষ্পাৰ্ঘ্য নিবেদন কৰে।

২। ভাৰতীয় ৰিজাৰ্ভ বেংকে আজি একেৰাহে নৱম বাৰৰ বাবে পলিচী ৰেপ’ হাৰ ৬ দশমিক ৫ শতাংশতে অপৰিৱৰ্তিত ৰখাৰ বিষয়ে ঘোষণা কৰিছে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা শনিবাৰে ভূমিস্খলন প্ৰভাৱিত কেৰালাৰ ৱায়নাড ভ্ৰমণ কৰিব।

৪। পেৰিছ্ অলিম্পিকৰ পৰা ভাৰতীয় মল্লযুঁজাৰু ৱিনেশ ফোগটক অযোগ্য ঘোষণা কৰা বিষয়টোৰ প্ৰতিবাদ কৰি আজি ৰাজ্যসভাৰ বিৰোধী দলৰ সদস্যসকলে সভা বৰ্জন কৰে।

আৰু

৫। পেৰিছ্ অলিম্পিকত আজি জেভলিন থ্ৰ’ত স্বৰ্ণ পদকৰ বাবে নীৰজ চোপ্ৰাই প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। ব্ৰঞ্জৰ পদকৰ যুঁজত ভাৰতীয় পুৰুষ হকী দল স্পেইনৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব।

0000000

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ৱেলিংটন ৰে’ল ষ্টেচনৰ চৌহদত থকা মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিত পুষ্পাৰ্ঘ্য নিবেদন কৰে। তেওঁৰ সৈতে লোকসভাৰ সাংসদ যুগল কিশোৰ শৰ্মা আৰু সৌমিত্ৰা খানৰ লগতে নিউজিলেণ্ডৰ গৱৰ্নৰ জেনেৰেল ডেম চিন্দি কিৰো আৰু মিনিষ্টাৰ অব্ ষ্টেট জৰ্জ কুৰিয়ান উপস্থিত থাকে। ইপিনে, আজি পুৱা নিউজিলেণ্ডৰ ৱেলিংটনৰ টাকিনা ৱেলিংটন অভিৱৰ্তন কেন্দ্ৰত আয়োজিত নিউজিলেণ্ড আন্তঃৰাষ্ট্ৰীয় শিক্ষা সন্মিলনত ভাষণ দি ৰাষ্ট্ৰপতিগৰাকীয়ে শিক্ষাক সামাজিক পৰিৱৰ্তন আৰু ৰাষ্ট্ৰ গঠনৰ মাধ্যম বুলি অভিহিত কৰে। তেওঁ কয় যে ভাৰত চৰকাৰে দেশত শিক্ষাৰ মান উন্নত কৰাৰ উদ্দেশ্যে ভালেমান ব্যৱস্থা গ্ৰহণ কৰিছে। শ্ৰীমতী মুৰ্মু আজি পুৱা দুদিনীয়া নিউজিলেণ্ড ভ্ৰমণসূচীৰে দেশখনৰ ৰাজধানী ৱেলিংটনত উপস্থিত হয়। তাত তেওঁক দেশখনৰ গৱৰ্ণৰ জেনেৰেল ডেম চিন্দি কিৰোৰ উপস্থিতিত ৰয়েল গাৰ্ড অব অনাৰেৰে অভ্যৰ্থনা জনোৱা হয়।

000000000

ভাৰতীয় ৰিজাৰ্ভ বেংকে আজি একেৰাহে নৱম বাৰৰ বাবে পলিচী ৰেপ’ হাৰ ৬ দশমিক ৫ শতাংশতে অপৰিৱৰ্তিত ৰখাৰ বিষয়ে ঘোষণা কৰিছে। স্থায়ী জমা সুবিধা - এছ ডি এফৰ হাৰ ৬ দশমিক ২-৫ শতাংশ আৰু প্ৰান্তীয় স্থায়ী সুবিধা - এম এছ এফ তথা বেংকৰ হাৰো ৬ দশমিক ৭-৫ শতাংশতে থাকিব। ৰিজাৰ্ভ বেংকৰ গৱৰ্ণৰ শক্তিকান্ত দাসে কয় যে চলিত বিত্তীয় বৰ্ষৰ বাবে তৃতীয়টো দুমহীয়া মৌদ্ৰিক নীতি ঘোষণা কৰি মৌদ্ৰিক নীতি সমিতি - এম পি চিয়ে ৰেপ’ হাৰ পূৰ্বৰ ৬ দশমিক ৫ শতাংশতে ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰে। বৈঠকত ছজন সদস্যৰ ভিতৰত চাৰিগৰাকীৰ বহুমতত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। বিকাশৰ লক্ষ্যত উপনীত হোৱাৰ উদ্দেশ্যে মুদ্ৰাস্ফীতি একে ৰখাটো সুনিশ্চিত কৰাৰ বাবে এই সিদ্ধান্ত লোৱা হয়। মৌদ্ৰিক নীতি সমিতিৰ এই বৈঠক যোৱা ৬ তাৰিখৰ পৰা তিনিদিনীয়াকৈ অনুষ্ঠিত হৈছে। সমিতিৰ পৰৱৰ্তী বৈঠক অহা ৭ৰ পৰা ৯ অক্টোবৰলৈ অনুষ্ঠিত হ’ব।

000000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা শনিবাৰে ভূমিস্খলন প্ৰভাৱিত কেৰালাৰ ৱায়নাড ভ্ৰমণ কৰিব। প্ৰধানমন্ত্ৰীৰ ভ্ৰমণৰ পৰিপ্ৰেক্ষিতত কন্ন’ড় আৰু ৱায়নাডত প্ৰস্তুতি অব্যাহত থকাৰ লগতে আজি এখন নিৰাপত্তা বৈঠক অনুষ্ঠিত হয়। প্ৰধানমন্ত্ৰীয়ে ভূমিস্খলন প্ৰভাৱিত এলেকাত বিমানেৰে নিৰীক্ষণ চলাব। উল্লেখযোগ্য যে কেৰালা আৰু কৰ্ণাটকত নিয়োজিত সেনা বাহিনীৰ ৫০০তকৈও অধিক জোৱানক ৱায়নাডৰ পৰা ঘূৰাই অনাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। ইপিনে, ৱায়নাডত নতুনকৈ নিৰ্মিত বেইলী দলং শক্তিশালী কৰি তোলাৰ উদ্দেশ্যে আৰু হেলিকপ্তাৰেৰে উদ্ধাৰ অভিযান অব্যাহত ৰখাৰ বাবে ৱায়নাডত এটা সৰু দল আৰু কিছুদিনৰ বাবে ৰখা হ’ব।

000000000

জলজীৱন অভিযানৰ জৰিয়তে চৰকাৰে সমগ্ৰ দেশতে ৭৭ শতাংশ গ্ৰাম্য বাসগৃহত নলযোগে পানীৰ ব্যৱস্থা কৰিছে। লোকসভাৰ প্ৰশ্নোত্তৰ কালত আজি এটা পৰিপূৰক উত্তৰত কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী চি আৰ পাটিলে কয় যে ২০১৯ চনত নৰেন্দ্ৰ মোদী চৰকাৰে এই আঁচনি আৰম্ভ কৰিছিল আৰু এতিয়ালৈকে ১৫ কোটি পৰিয়াললৈ নলযোগে পানীৰ সুবিধা প্ৰদান কৰা হৈছে। শ্ৰী পাটিলে কয় যে পৰিয়ালসমূহলৈ পৰিষ্কাৰ খোৱাপানী যোগানৰ ফলত বেমাৰ-আজাৰ দূৰ হোৱাৰ বাবে ৮ লাখ কোটিতকৈও অধিক টকা জমা কৰিব পৰা গৈছে বুলি অধ্যয়নৰ যোগেদি জানিব পৰা গৈছে।

০০০০০০০০০

পেৰিছ অলিম্পিকৰ পৰা ভাৰতীয় মল্লযুঁজাৰু ৱিনেশ ফোগটক অযোগ্য ঘোষণা কৰা বিষয়টোৰ প্ৰতিবাদ কৰি আজি ৰাজ্যসভাৰ বিৰোধী দলৰ সদস্যসকলে সদন ত্যাগ কৰে। বিৰোধী দলপতি মল্লিকাৰ্জুন খাৰ্গেই আজি পুৱা সদনৰ আৰম্ভণিতে বিষয়টো উত্থাপন কৰিবলৈ চেষ্টা কৰিছিল যদিও তেওঁক অনুমতি দিয়া নহ'ল। পাছত কংগ্ৰেছ, তৃণমূল কংগ্ৰেছ, ডি এম কে, আৰ জে ডি আৰু আন বিৰোধী দলৰ সদস্যসকলে সদন বৰ্জন কৰে। ৰাজ্যসভাৰ অধ্যক্ষ জগদীপ ধনখড়ে বিৰোধীৰ এনে আচৰণত আপত্তি জনাই তৃণমূল কংগ্ৰছৰ সাংসদ ডেৰেক অ'ব্ৰায়নক গৰিহণা দিয়াৰ লগতে তেওঁৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ সতৰ্কবাণী প্ৰদান কৰে। শ্ৰী ধনখড়ে কয় যে অলিম্পিকৰ দৰে এখন মঞ্চত পদক জয়ৰ পূৰ্ণ সম্ভাৱনা থকা ৱিনেশ ফোগট অযোগ্য ঘোষিত হোৱাত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীকে ধৰি সমগ্ৰ দেশৰ লগতে তেওঁ নিজেও মনোকষ্ট পাইছে আৰু এই সময়ত ঘটনাটোৰ ৰাজনীতিকৰণে মল্লযুঁজাৰুগৰাকীৰ সন্মানত আঘাত দিব। তেওঁ কয় যে হাৰিয়ানা চৰকাৰে ইতিমধ্যে খেলুৱৈগৰাকীক বিজেতাৰ দৰে সকলোধৰণে সহযোগিতা আগবঢ়াব বুলি ঘোষণা কৰিছে। আনহাতে, জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাইও বিৰোধীৰ আচৰণক নিন্দা কৰে। তেওঁ অধ্যক্ষৰ প্ৰতি কংগ্ৰেছ আৰু তৃণমূল কংগ্ৰেছৰ সদস্যসকলৰ আচৰণৰ বিৰোধিতা কৰি কয় যে সমগ্ৰ দেশ এই মুহূৰ্তত ৱিনেশ ফোগটৰ লগত আছে আৰু বিৰোধীয়ে চৰকাৰৰ বিপক্ষে মাত মাতিবলৈ আন বিষয় নথকাত এই বিষয়টোকে বাছি লৈছে বুলিও জে পি নাড্ডাই অভিযোগ উত্থাপন কৰে।

০০০০০০০০০

বাংলাদেশত নবেল বঁটা প্ৰাপক প্ৰফেচাৰ মহম্মদ ইউনুছ নেতৃত্বাধীন অন্তৰ্বৰ্তীকালীন চৰকাৰখনে আজি নিশা শপত গ্ৰহণ কৰিব। কালি এখন সংবাদ মেলত দেশখনৰ সেনাপ্ৰধান ৱাকাৰ-উজ-জামানে এই কথা সদৰি কৰে। তেওঁ দেশখনৰ পৰিস্থিতি অহা তিনি-চাৰি দিনৰ ভিতৰত স্বাভাৱিক হ'ব বুলি আশা প্ৰকাশ কৰিছে। তেওঁ কয় যে বিগত কিছুদিনত সংঘটিত অপৰাধমূলক ঘটনাসমূহৰ সৈতে জড়িত থকা লোকসকলক সাৰি যাবলৈ দিয়া নহ'ব আৰু সেইসকলৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

০০০০০০০০

জেভলিন থ্ৰ'ৰ যোৱাবাৰৰ অলিম্পিক চেম্পিয়ন নীৰজ চোপ্ৰাই আজি নিশা খিতাপ ৰক্ষাৰ যুঁজত অৱতীৰ্ণ হ'ব। আনহাতে ভাৰতীয় পুৰুষ হকী দল আজি বিয়লি ব্ৰঞ্জৰ পদকৰ যুঁজত স্পেইনৰ সন্মুখীন হ'ব। ইফালে, মল্লযুদ্ধত বৰ্তি থকা একমাত্ৰ পুৰুষ মল্লযোদ্ধা অমন শ্বেহৰাৱাট আজি বিয়লি পুৰুষৰ ৫৭ কিলোগ্ৰাম ওজন শাখাৰ ফ্ৰী ষ্টাইল শিতানত অৱতীৰ্ণ হোৱাৰ বিপৰীতে মহিলা মল্লযোদ্ধা অংশুৱে ৫৭ কিলোগ্ৰাম ওজন শাখাৰ ফ্ৰী ষ্টাইল শিতানত দেশক প্ৰতিনিধিত্ব কৰিব।

আনহাতে, পেৰিছ অলিম্পিকৰ মহিলা মল্লযোদ্ধা ৱিনেশ ফোগটে তেওঁক অযোগ্য ঘোষণা কৰা সিদ্ধান্তৰ বিৰুদ্ধে ক্ৰীড়া চালিছী আদালতত আবেদন দাখিল কৰিছে। খেলুৱৈগৰাকীয়ে তেওঁক যুটীয়াভাৱে ৰূপৰ পদক প্ৰদান কৰিবলৈ দাবী জনাইছে। লগতে ফোগটে সামাজিক মাধ্যমযোগে তেওঁৰ অৱসৰৰ কথাও ঘোষণা কৰিছে।

০০০০০০০০০

**সমাপ্ত**